# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - - - - - - - - -**

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে কাইলৈ লোকসভাত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট উত্থাপন কৰিব। নৰেন্দ্ৰ মোদী চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি যোৱা বছৰ সমূহৰ দৰে এইবাৰো পৃথকে কোনো ৰে'ল বাজেট উত্থাপন কৰা নহয়। মূল কেন্দ্ৰীয় বাজেটতে বিত্তমন্ত্ৰী সীতাৰমণে ৰে'ল বিভাগৰ বাবে পৰৱৰ্তী বিত্তীয় বছৰৰ আয়-ব্যয়ৰ খতিয়ান আৰু আঁচনি দাঙি ধৰিব। বিত্ত মন্ত্ৰীৰে কাইলৈ বাজেট দাখিল কৰি সদনত দিয়া ভাষণ আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মহাবাহু শাখাত দিনৰ ১০ বাজি ১০ মিনিটৰ পৰা এই বাজেট ভাষণ প্ৰচাৰিত হ'ব। বিত্তমন্ত্ৰীৰ বাজেট ভাষণৰ পাছতে আমাৰ দিনৰ এক বাজি ৪০ মিনিটত প্ৰচাৰিত হ'বলগীয়া বাতৰি প্ৰচাৰিত হ'ব। এই পোনপটীয়া অনুষ্ঠানৰ বাবে আমাৰ কাইলৈ দুপৰীয়া ১২ বাজি ৫ মিনিটৰ বাতৰি প্ৰচাৰিত নহয়।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি দুই মিনিটত দৃষ্টিপাতত ২০২৫-২৬ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত এটি আলোচনা প্ৰচাৰ কৰিব। এই আলোচনাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ সহকাৰী অধ্যাপক ড০ মফিদুল হাছান, ষ্টাৰ্ট আপ উদ্যামী প্ৰণৱ তালুকদাৰ আৰু নবীন উদ্যোগী ভাস্কৰজ্যোতি হালৈয়ে অংশগ্ৰহণ কৰিব। এই আলোচনাৰ আঁত ধৰিব আকাশবাণীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে।

ooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আহোম জনগোষ্ঠীয় লোকসকলৰ পৱিত্ৰ অনুষ্ঠান মে-ডাম-মে-ফি পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হয়। আহোম জনগোষ্ঠীয় লোকসকলে আজিৰ দিনটোত পুলিন-পুথাওসকলক স্মৰণ কৰি দেশ আৰু জাতিৰ মঙ্গলৰ বাবে প্ৰাৰ্থনা জনায়।

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু চৰাইদেউ জিলা প্ৰশাসন তথা বৃহত্তৰ কেন্দ্ৰীয় মে-ডাম-মেফি উদ্যাপন সমিতিৰ সহযোগত চৰাইদেউ পি এম শ্ৰী সাপেখাতী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত কেন্দ্ৰীয়ভাৱে মে-ডাম-মেফি উদ্যাপন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

আজিৰ অনুষ্ঠানত জ্যেষ্ঠ মন্ত্ৰী যোগেন মহন, সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰৰ লগতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

শিৰসাগৰ জিলাতো আজি  কাৰেংঘৰ, তলাতল ঘৰ, লেচাই মৈদামকে ধৰি বিভিন্ন স্থানত মে-ডাম-মেফীৰ আয়োজন কৰা হয়।  পৰম্পৰাগত ধৰ্মীয় আৰাধনাৰে তলাতল ঘৰৰ বাকৰিত আয়োজন কৰা মে-ডাম-মে-ফীত পুৰা ফুৰালুং আৰু বানফি পূজা কৰা হয়। মে-ডাম-মে-ফী উপলক্ষে যোৰহাট জিলাৰ ৰাজমাও বৰপুখুৰীৰ পাৰত থকা জয়া ভৱনৰ পৰা ৰজামৈদামলৈ বৰ্ণাঢ্য শোভাযাত্ৰা উলিওৱা হয়। মাজুলী জিলা টাই আহোম ছাত্ৰ সন্থাৰ উদ্যোগত আৰু লাহনগাওঁ ৰাইজৰ সহযোগত লাহনগাওঁ চুকাফা সমন্বয় ক্ষেত্ৰত  মে-ডাম-মে-ফী উপলক্ষে বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়। লখিমপুৰ জিলাৰ ঢকুৱাখানাত টাই সাংস্কৃতিক গৱেষণা আৰু কৃষ্টি বিকাশ কেন্দ্ৰ আৰু টাই আহোম ছাত্ৰ সন্থাৰ সহযোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মে-ডাম-মে-ফী পালন কৰা হয়। তদুপৰি ধেমাজি, গুৱাহাটীৰ হেঙেৰাবাৰী, গণেশগুৰি, পাণ্থৰকুৱেৰীকে ধৰি বিভিন্ন স্থানত পূৰ্বপুৰুষসকলক শ্ৰদ্ধা তৰ্পণৰ উদ্দেশ্যে মে-ডাম-মেফি অনুষ্ঠানৰ আয়োজন কৰা হয়।

ooooo

বজালী জিলাৰ পাঠশালাৰ ভট্টদেৱ ক্ষেত্ৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি প্ৰথম দিনা বিজ্ঞান মেলা আৰু গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰা হয়। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই কৰ্ণেল গুৰুপ্ৰসাদ দাস বিজ্ঞান মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰে জনোৱা মতে সাহিত্য সভাৰ ইতিহাসত এইবাৰ প্ৰথমবাৰৰ বাবে বিজ্ঞান মেলাৰ সংযোজন কৰা হৈছে। বিজ্ঞান মেলাৰ সৈতে সংগতি ৰাখি আয়োজিত সভাত অসম লোকসেৱা আয়োগৰ প্ৰাক্তন অধ্যক্ষ ভাৰত ভুষণ দেৱচৌধুৰীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি অসমীয়া গদ্য সাহিত্যৰ জনক ভট্ট দেৱৰ জীৱন-আদৰ্শত আলোকপাত কৰে। সাহিত্য সভাৰ বাকৰিত আজি কৈলাশ মল্লবৰুৱা সোঁৱৰণী গ্ৰন্থমেলাৰ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সাহিত্যক তথা তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সম-উপাচাৰ্য ড০ অমৰ জ্যোতি চৌধুৰীয়ে। অসম শিশু সাহিত্য ন্যাসৰ সচিব ঋষিকেশ গোস্বামীয়ে গ্ৰন্থমেলাৰ মঞ্চ উদ্বোধন কৰে। এই গ্ৰন্থমেলাতে আজি জ্যেষ্ঠ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ৰচনা কৰা **অসম বিধান সভাত কামেশ্বৰ দাস** শীৰ্ষক গ্ৰন্থখন বিশিষ্ট লেখক অঞ্জন শৰ্মাই উন্মোচন কৰে। ইয়াৰ পাছত মূল মঞ্চত অনুষ্ঠিত সাহিত্য আলোচনা উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী মৃণালিনী দেৱীয়ে। ৰবীন্দ্ৰ নাথ ঠাকুৰ আসনৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ড০ উমেশ ডেকাৰ সঞ্চালনাত অনুষ্ঠিত এই আলোচনাত নৰ্থ কামৰূপ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড০ লীনা গোস্বামীয়ে মূল বক্তব্য আগবঢ়ায়।

ইয়াৰ আগতে আজি অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি তথা অসমৰ জ্যেষ্ঠ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে পাঠশালা সাহিত্য সভাৰ থলী-ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰে। ইয়াৰ পাছতে আৱাহন থিয়েটাৰৰ প্ৰতিষ্ঠাপক প্ৰযোজক তথা অসম সৌৰভ বঁটা প্ৰাপক কৃষ্ণ ৰয়ে এটা খৰ্গযুক্ত গড়ৰ আকৃতিত নিৰ্মাণ কৰি উলিওৱা অধিবেশনৰ মূল তোৰণ উদ্বোধন কৰে।

ooooo

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ১১৭ সংখ্যক জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাজ্যবাসীয়ে তেঁওক শ্ৰদ্ধাৰে সোঁৱৰিছে। ওৰেটো জীৱন মাটি-মানুহ তথা দেশৰ বাবে অমূল্য অৱদান আগবঢ়াই যোৱা গীতিকাৰ, সুৰকাৰ, চিত্ৰশিল্পী তথা স্বাধীনতা সংগ্ৰামী ৰাভাদেৱৰ জীৱন আদৰ্শই অসমবাসীক সদায় অনুপ্ৰাণিত কৰি আহিছে। শিল্পীগৰাকীৰ স্মৃতিত আজি

তেজপুৰৰ তলগেৰেকীত থকা তেওঁৰ সমাধিস্থলত এটি বিশেষ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। কলাগুৰুৰ জ্যেষ্ঠ পুত্ৰ তথা তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভাই বন্তি প্ৰজলনেৰে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। অনুষ্ঠানত  কেইবাগৰাকীও শিল্পীয়ে ৰাভাসংগীত আৰু নৃত্য পৰিবেশন কৰে।

ooooo

সমাপ্ত